**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-01-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN
::::::::::::::::::::

ভোগৰ উৎসৱ ভোগালীলৈ মাজত মাথো আজিৰ দিনটো থকা অৱস্থাত ৰাজ্যজুৰি এতিয়া ভোগালীৰ উছাহ পৰিলক্ষিত হৈছে। কাইলৈ ভোগালীৰ উৰুকা। ভোগালী বিহু উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাজহুৱা স্থান, পথাৰত ভিন ভিন আৰ্হিৰে ভেলাঘৰ আৰু মেজি প্ৰস্তুত কৰি তোলা হৈছে। গ্ৰামাঞ্চলত ঘৰে ঘৰে ঢেঁকীৰ শব্দই বিহুৰ পৰিৱেশৰ সৃষ্টি কৰিছে। গাঁৱে গাঁৱে জীয়ৰী-বোৱাৰীসকল পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ সমান্তৰালকৈ বজাৰ-সমাৰতো ভিৰ হোৱা দেখা গৈছে। ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত বিভিন্ন জিলাত ভোগালী মেলাৰ আয়োজন কৰা হৈছে। এই ভোগালী মেলাসমূহত বিভিন্ন আত্মসহায়ক গোটৰ লগতে স্থানীয় মহিলাসকলে পিঠা-পনা, বস্ত্ৰ আদি লৈ অংশ গ্ৰহণ কৰিছে। মেলাৰ লগত সংগতি ৰাখি মহিলাসকলৰ মাজত থলুৱা খেল-ধেমালিৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

ooooo

ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত কাইলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক স্বীকৃতিপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকী এই সন্মান গ্ৰহণৰ বাবে ইতিমধ্যে ফ্ৰান্সলৈ ৰাওনা হৈছে। উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউয়ে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰিছে। এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

ডিব্ৰুগড়ৰ টেঙাখাতৰ লাঙি গদাপানী ক্ষেত্ৰত অহা ২১ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ টাই সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনত কেইবাখনো দেশৰ প্ৰতিনিধিয়ে ভাগ ল'ব। অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মিনিয়ে অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। বিশ্বৰ বিভিন্ন স্থানত থকা টাই জনগোষ্ঠীৰ লোকসকলৰ মাজত সংস্কৃতিৰ আদান-প্ৰদান কৰাই হৈছে এই সন্মিলনৰ উদ্দেশ। সন্মিলনৰ সৈতে সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীয় বস্ত্ৰ আৰু সা-সম্পদৰ প্ৰদৰ্শনী মেলা, বৌদ্ধিক আৰু আধ্যাত্মিক আলোচনা, সাংস্কৃতিক কাৰ্যসূচী, শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। এইবাৰ তৃতীয়বাৰলৈ এই সন্মিলনৰ আয়োজন কৰা হৈছে।

ooooo

তিনিচুকীয়াৰ ঐতিহাসিক দুৱাৰমৰা নৈৰ পাৰত অনুষ্ঠিত ৰসবাৰী পৰ্যটন মেলাৰ আজি সামৰণি পৰিব। গ্ৰাম্য পৰ্যটনৰ ক্ষেত্ৰত বিশেষ ভূমিকা থকা এই মেলাখন শুকুৰবাৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছিল। সপ্তম বৰ্ষত ভৰি দিয়া এই পৰ্যটন মেলাত স্থানীয় জাতি-জনগোষ্ঠীৰ নৃত্য, পৰম্পৰাগত খাদ্য, সাজ-পাৰ তথা অন্যান্য লোককৃষ্টি প্ৰদৰ্শন কৰা হৈছে।

ooooo

বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা এসপ্তাহজোৰা চৰকাৰী ভ্ৰমণসূচীৰে ফিলিপাইনছ, পালাঅ' আৰু মাইক্ৰ'নেছিয়া ভ্ৰমণলৈ যাব। অহা ১৬ জানুৱাৰীত পালাঅ'ৰ ৰাষ্ট্ৰপতি ছুৰাংগেল হিপছৰ শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাই ভাৰতক প্ৰতিনিধিত্ব কৰি উপস্থিত থাকিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালতেই ফিলিপাইনছৰ শীৰ্ষ নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে মেনিলাত থকা মিৰিয়াম কলেজ চৌহদৰ মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তেওঁ দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলৰ

সৈতেও মত বিনিময় কৰিব। এই ভ্ৰমণ কালত বিদেশ মন্ত্ৰী মাৰ্ঘেৰিটাই পালাঅ'ৰ শীৰ্ষস্থানীয় নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ লোৱাৰ লগতে পালাঅ'ত চলি থকা ভাৰতৰ বিনিয়োগযুক্ত প্ৰকল্পসমূহৰ বুজ ল'ব।

ooooo

জাগীৰোডৰ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে এতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইয়াৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। ১৬ তাৰিখৰ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

ooooo

১৬ জানুৱাৰীত মৰিগাঁৱত পোনপ্ৰথমবাৰৰ বাবে অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। ৰাজ্যৰ জনসংযোগ, সংসদীয় পৰিক্ৰমা, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই কালি মৰিগাঁও ভ্ৰমণৰ সময়ত এইকথা প্ৰকাশ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ সৈতে মন্ত্ৰীসভাৰ বৈঠকৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰি শ্ৰীহাজৰিকাই কয়, যে বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, জোনবিল মেলাত উপস্থিত হ'ব আৰু তিৰা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰিব। তেওঁ লগতে জাগীৰোডত নিৰ্মীয়মান চেমিকনডাক্টৰ প্ৰকল্প আৰু দৰং আৰু ভূৰাগাঁৱৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হবলগীয়া দলংস্থলী পৰিদৰ্শন কৰিব।

ooooo

নগাঁও জিলাৰ পুৰণিগুদামৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৫ সংখ্যক জয়ন্তী আৰু শতবৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠানত কালি মুঠ ৯৫ খন পতাকা উত্তোলন কৰা হয়। শিক্ষক-সাহিত্যিক ফনীন্দ্ৰ নাথ গায়ন আৰু শিক্ষক তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ বিপুল চন্দ্ৰ মজুমদাৰে শতবৰ্ষৰ আৰম্ভণিৰ দুখন মূল পতাকা উত্তোলন কৰে। সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা কালিৰ অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি তৰ্পণ আৰু গুৰু পূজনৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

সমাপ্ত